# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। পঞ্চম পৰ্যায়ত অহা ২০ মে'ত দেশৰ ৪৯ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

২। নিৰ্বাচনৰ প্ৰথম ৪টা পৰ্যায়ত ৪৫ কোটি ১০ লাখ লোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে বুলি নিৰ্বাচন আয়োগৰ প্ৰকাশ।

৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত আজি গঁড়ৰ চোৰাং চিকাৰ বিৰোধী টাস্ক ফ'ৰ্চৰ দ্বিতীয়খন বৈঠক সম্পন্ন।

৪। জনসাধাৰণৰ মাজত সচেতনতা আৰু সতৰ্কতা বৃদ্ধি কৰাৰ লক্ষ্যৰে দেশৰ ভিন্ন প্ৰান্তৰ লগতে ৰাজ্যজুৰি ৰাষ্ট্ৰীয় ডেংগি দিৱস পালন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন।

ooooo

পঞ্চম পৰ্যায়ত অহা ২০ মে'ত দেশৰ ৪৯ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ পৰহিলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। আনহাতে, ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ প্ৰতাপগড়, জৌনপুৰ, ভদোহী আৰু আজমগড়ত প্ৰচাৰ চলায়। নিজৰ ভাষণত তেওঁ এন ডি এ চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে কংগ্ৰেছ দলে তোষামোদৰ ৰাজনীতি কৰি আহিছে বুলি মন্তব্য কৰে। আজমগড়ত বিজেপিৰ সাংসদ তথা প্ৰাৰ্থী দীনেশ লাল যাদৱ নিৰহুৱাৰ সমৰ্থনত আয়োজিত জনসভাত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে বিৰোধী দলে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত ভিত্তিহীন কথা প্ৰচাৰ কৰিছিল যদিও জনসাধাৰণে সত্যক উপলব্ধি কৰিছে। দেশৰ গণতন্ত্ৰৰ উৎসৱ সদৃশ সাধাৰণ নিৰ্বাচনৰ বাতৰিয়ে বিশ্বৰ সংবাদপত্ৰসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি ওড়িশাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। তেওঁ ৰাজ্যখনৰ পদমপুৰত আয়োজিত এখন সভাত অংশ লোৱাৰ লগতে ভুৱনেশ্বৰৰ বাৰিক শ্বাহীৰ পৰা এটা ৰোড শ্ব'ত অংশ লয়। তেওঁ বৰগড় আৰু সুন্দৰগড়ত জনসভাত ভাষণ দিয়ে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিহাৰত আয়োজিত এখন জনসভাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। তেওঁ কয় যে নৰেন্দ্ৰমোদী নেতৃত্বাধীন চৰকাৰে অযোধ্যাত ৰাম মন্দিৰৰ নিৰ্মাণ সম্পূৰ্ণ কৰি দেশবাসীক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰাৰ বিপৰীতে কংগ্ৰেছ দলে এই মন্দিৰ নিৰ্মাণৰ ক্ষেত্ৰত অৱহেলা কৰি আহিছে। ইফালে, আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালে সমাজবাদী পাৰ্টিৰ সভাপতি তথা উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেশ যাদৱৰ সৈতে এখন সংবাদমেলত অংশ লয়। কেজৰিৱালে কয় যে বিজেপিয়ে সংৰক্ষণ ব্যৱস্থাৰ অন্ত পেলাব বিচাৰে বাবে ৪০০ খনতকৈ অধিক আসন লাভৰ প্ৰয়াস চলাইছে। অমৃতসৰত আপৰ আহ্বায়ক শ্ৰী কেজৰিৱালে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানৰ সৈতে বিয়লি ৬ বজাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইপিনে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ওড়িশাত উপস্থিত হৈ এখন সংবাদমেল সম্বোধন কৰে। বিজেডিৰ মুৰব্বী তথা ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কেও আজি ভূৱনেশ্বৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ওড়িশাৰ - বৰগড়, সুন্দৰগড়, বোলাংগীৰ, কান্ধামাল আৰু আস্কা লোকসভা সমষ্টি আৰু ৩৫টা বিধানসভা সমষ্টিৰ বাবে অহা ২০ মে'ত ভোটগ্ৰহণ কৰা হ'ব। পৰহিলৈ এই আসনকেইখনৰ বাবে নিৰ্বাচনী প্ৰচাৰ অভিযানৰ সামৰণি পৰিব।

ইপিনে, কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি উত্তৰ প্ৰদেশৰ ৰায়বেৰেলিত জনসভাত অংশগ্ৰহণ কৰে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ওড়িশাৰ বৰগড়ত আয়োজিত নিৰ্বাচনী সভাত অংশ লৈ কয় যে কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচী আৰু দ্বৈত ইঞ্জিনযুক্ত চৰকাৰে ৰাজ্যখনক প্ৰগতিৰ শিখৰলৈ লৈ যাব।

বিজেপিৰ কেইবাগৰাকীও নেতা আৰু দিল্লীৰ সাংসদ প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ অভিযানৰ অংশ হিচাপে আজি প্ৰাতঃভ্ৰমণকাৰীসকলৰ সৈতে মত-বিনিময় কৰে। দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱাই কেশৱপুৰমৰ হাটোডা ৰাম পাৰ্কত অঞ্চলটোৰ লোকসকলৰ সৈতে মত-বিনিময় কৰি পোষ্টাৰ আদি বিতৰণ কৰে। উত্তৰ পশ্চিম দিল্লীৰ বিজেপি প্ৰাৰ্থী যোগেন্দ্ৰ চাণ্ডোলিয়াই ৰোহিণী চেক্টৰ-১৬ৰ এখন উদ্যানত লোকসকলৰ সৈতে মত-বিনিময় কৰে। আনহাতে, নতুন দিল্লীৰ বিজেপি প্ৰাৰ্থী বাঞ্চুৰী স্বৰাজে কৰোলবাগত প্ৰাতঃভ্ৰমণকাৰী সকলৰ সৈতে মত-বিনিময় কৰে।

০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত মহাৰাষ্ট্ৰত ধুলে, দিন্দোৰি, নাছিক, কল্যাণ, পালঘৰ, ভিৱান্দি, থানে, মুম্বাই উত্তৰ, মুম্বাই উত্তৰ-পশ্চিম, মুম্বাই উত্তৰ-পূব, মুম্বাই উত্তৰ-মধ্য, মুম্বাই দক্ষিণ মধ্য আৰু মুম্বাই দক্ষিণ - এই ১৩টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত ২৬৪গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই পৰ্যায়ত নিৰ্বাচনী ভাগ্য নিৰ্ণয় হ'বলগীয়া উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেল আৰু ভাৰতী পাৱাৰ, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেৰ পুত্ৰ ডঃ শ্ৰীকান্ত সিন্দে আৰু উজ্জ্বল নিকাম অন্যতম।

০০০০০

দেশৰ নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ প্ৰথম ৪টা পৰ্যায়ত ৪৫ কোটি ১০ লাখ লোকে ভোটাধিকাৰ সাব্যস্ত কৰিছে বুলি আজি এক বিবৃতিযোগে প্ৰকাশ কৰিছে। আয়োগৰ বিবৃতি অনুসৰি প্ৰথম ৪টা পৰ্যায়ত

ভোটদানৰ হাৰ হৈছে ৬৬ দশমিক ৯-৫ শতাংশ। ভোটদানৰ হাৰ বৃদ্ধি হোৱাটোৱে বিশ্ববাসীলৈ এক বাৰ্তা প্ৰেৰণ কৰিছে বুলি আয়োগে প্ৰকাশ কৰে। ইয়াৰ লগতে বাকী থকা ৩টা পৰ্যায়টো ভোটাৰসকলক বৃহৎ হাৰত ভোটদান কৰিবলৈ আয়োগে আহ্বান জনাইছে। বাকী থকা ৩টা পৰ্যায়ত ভোটৰ হাৰ বৃদ্ধি কৰিবলৈ আয়োগে ভোটাৰসকলক সুবিধা প্ৰদানৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিছে। আনহাতে ভোটাৰসকলক সজাগ কৰিবলৈ আয়োগে জনপ্ৰিয় শিল্পীৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত সংস্থাৰো সহায় লৈছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত আজি গঁড়ৰ চোৰাং চিকাৰ বিৰোধী টাস্ক ফ'ৰ্চৰ দ্বিতীয়খন বৈঠক আজি অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ বিশেষ সঞ্চালকপ্ৰধান হৰমিত সিঙৰ লগতে আৰক্ষীৰ কেইবাগৰাকী শীৰ্ষ বিষয়া, ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক, মাণ্ডলিক বন বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত গঁড়ৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰি থকা ব্যৱস্থা, বন বিভাগ আৰু আৰক্ষী সমন্বিত কাৰ্যকলাপ তথা বন সুৰক্ষা বাহিনীৰ নিয়োগ আৰু সৱলীকৰণৰ লগতে চোৰাংচোৱাৰ নেটৱৰ্ক শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হয়। টাস্ক ফ'ৰ্চে লগতে চোৰাং চিকাৰী বিৰোধী পদক্ষেপ শক্তিশালী কৰাৰ লক্ষ্যৰে গঠিত সমিতিত বিশেষ সঞ্চালকপ্ৰধান, নগাঁও, গোলাঘাট, যোৰহাটৰ মাণ্ডলিক বিষয়া আৰু অসম বন সুৰক্ষা বাহিনীৰ কামাণ্ডেণ্টক অতিৰিক্ত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলত ৰাজ্যৰ বনাঞ্চলত গঁড়ৰ সংখ্যা বৃদ্ধি পোৱাৰ উপৰি ন ন বনাঞ্চলত গঁড়ৰ বিচৰণ দেখা গৈছে। ইয়াৰ ভিতৰত যোৱা দুবছৰত বুঢ়াচাপৰি আৰু মাজুলীত গঁড়ৰ বিচৰণ দেখা গৈছে। আজিৰ বৈঠকখনত গঁড় থকা সকলো অঞ্চলতে নিয়মীয়াকৈ জিলা পৰ্যায়ৰ সমন্বয় সভা অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়া হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ছিকিমৰ ৪৯ সংখ্যক ৰাজ্যিক দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত ৰাষ্ট্ৰপতিয়ে কয় যে প্ৰকৃতিৰ বৰদানেৰে সমৃদ্ধ ছিকিমৰ সৌন্দৰ্য্য ৰাজ্যখনৰ বৰফেৰে আবৃত পৰ্বতৰ শিখৰ, ঘন বননি আৰু জলপ্ৰপাতৰ মাজত পৰিলক্ষিত হয়। তেওঁ কয় যে ছিকিমৰ জনসাধাৰণে নিজৰ জীৱনশৈলী আৰু কঠোৰ পৰিশ্ৰমেৰে দেশৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। ৰাষ্ট্ৰপতিয়ে লগতে ৰাজ্যখন আৰু ৰাজ্যবাসীৰ নিৰন্তৰ সমৃদ্ধি আৰু বিকাশৰ বাবে শুভকামনা যাঁচে।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও এটা বাৰ্তাত কয় যে প্ৰাকৃতিক সৌন্দৰ্য আৰু ৰাজ্যখনৰ পৰিশ্ৰমী জনসাধাৰণৰ বাবে ছিকিম সুপৰিচিত। তেওঁ কয় যে বিগত বছৰসমূহত জৈৱিক কৃষিৰ ক্ষেত্ৰত ছিকিমে নিজৰ সুকীয়া পৰিচয় গঢ়ি তুলিছে। শ্ৰীমোডীয়ে অনাগত সময়ত চৰকাৰে ৰাজ্যখনৰ কল্যাণৰ বাবে কাম কৰি যাব বুলিও সজোৰে প্ৰকাশ কৰে।

ৰাজ্যিক দিৱসৰ সৈতে সংগতি ৰাখি ৰাজভৱনত এখন গ্ৰন্থৰ লগতে তথ্য চিত্ৰও মুকলি কৰা হয়। ইয়াৰ উপৰি ৰাজ্যখনত বিভিন্ন কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হয়। সাধু সকলৰ বৈদিক মন্ত্ৰ, দেশপ্ৰেমমূলক সংগীতৰ লগতে দিব্যাংগ শিক্ষাৰ্থীয়ে ৰাজ্যিক দিৱসৰ কাৰ্যসূচীত অনুষ্ঠান পৰিবেশন কৰে।

ooooo

ওৰাং ৰাষ্ট্ৰীয় উদ্যান আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ ঘোষণা কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী আৰু হাতী চাফাৰী বন্ধ থাকিব বুলি মঙলদৈ বন্যপ্ৰাণী সংমণ্ডলে জনাইছে। উল্লেখযোগ্য যে, প্ৰতি বছৰৰ দৰে এইবাৰো বাৰিষা আগতীয়াকৈ অহাৰ বাবে উদ্যানৰ ভিতৰৰ পথ বেয়া হোৱাৰ পৰিপ্ৰেক্ষিতত যান-বাহনৰ চলাচল ব্যাহত হৈ পৰিছে। উদ্যান কৰ্তৃপক্ষই পৰৱৰ্তী সময়ত উদ্যানখন পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা তাৰিখ সন্দৰ্ভত ঘোষণা কৰিব।

ooooo

আজি ৰাষ্ট্ৰীয় ডেংগি দিৱস। ডেংগি সন্দৰ্ভত জনসাধাৰণৰ মাজত সচেতনতা আৰু সতৰ্কতা বৃদ্ধি কৰাৰ লগতে প্ৰতি বছৰে আজিৰ দিনটোত বিভিন্ন সজাগতা সভা, বাটৰ নাট আদি অনুষ্ঠিত কৰি হয়। এই বছৰৰ ডেংগি দিৱসৰ বিষয় বস্তু – **সম্প্ৰদায়ৰ সৈতে সংযোগ স্থাপন, ডেংগি নিয়ন্ত্ৰণ।** দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো ৰাষ্ট্ৰীয় ডেংগি  দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

**চিৰাং** জিলা ৰাষ্ট্ৰীয় সেৱা সমিতিৰ উদ্যোগত কাজলগাঁৱত এই দিৱস পালন কৰা হয়। দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত সভাত বিশিষ্ট ব্যক্তিসকলে ডেংগি ৰোগৰ কাৰণ, এই ৰোগৰ লক্ষণ আৰু প্ৰতিকাৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। সজাগতা সভাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ডেংগি দিৱস সন্দৰ্ভত কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ **বাক্সা** জিলাৰ চামুহাঠাইতো আজি এই দিৱসৰ সৈতে সংগতি ৰাখি সজাগতা সমদল উলিওৱা হয়। ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে বিভিন্ন প্লেকাৰ্ড লৈ ৰাইজক সজাগ কৰা পৰিলক্ষিত হয়। জিলাখনৰ স্বাস্থ্য বিভাগৰ কেইবাগৰাকীও বিষয়ববীয়াই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাইজক ডেংগি ৰোগ সন্দৰ্ভত অৱগত কৰে।

**মৰিগাঁও** জিলাতো বিভিন্ন কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ডেংগি দিৱস পালন কৰা হয়। জিলাখনৰ স্বাস্থ্য বিষয়া আৰু শ্ৰমিকসকলেও এই দিৱস পালন কৰে।

**দক্ষিণ শালমাৰা** মানকাচৰ জিলাত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ নিৰ্দেশত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ডেংগি সম্পৰ্কে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মানকাচৰৰ গজাৰীকান্দি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত থকা স্বাস্থ্য কৰ্মীসকলে কুকুৰমাৰা প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতামূলক সভা অনুষ্ঠিত কৰে। সভাত কিদৰে ডেংগিৰ পৰা সাৱধানে থাকিব পাৰে সেই সন্দৰ্ভত আলোচনা কৰা হয়।

ooooo

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া তথা আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণীৰ সঞ্চালকপ্ৰধান হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। ১৯৯১ বেটছৰ ভাৰতীয় তথ্য সেৱাৰ বিষয়া শ্ৰীমতী চক্ৰৱৰ্তীৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ বিভিন্ন সংস্থাত কাম কৰাৰ অভিজ্ঞতা আছে।

ooooo

কাৰ্বি আংলং জিলাৰ খটখটী আৰক্ষীয়ে আজি এখন ট্ৰাকৰ পৰা বাৰ্মিজ চিগাৰেটৰ ২৭ টা কাৰ্টন জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰে লোক দুজন মহাৰাষ্ট্ৰৰ বুলি জানিব পৰা গৈছে। সম্প্ৰতি আৰক্ষীৰ জিম্মাত থকা লোক দুজনে মণিপুৰৰ পৰা কলকাতালৈ চিগাৰেটসমূহ নিয়াৰ চেষ্টা কৰিছিল বুলি আৰক্ষীয়ে প্ৰকাশ

কৰিছে। ইপিনে, ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমা আৰক্ষী আৰু চাপৰ থানাৰ আৰক্ষীৰ এটা দলে বহলপুৰত অভিযান চলাই বৃহৎ পৰিমাণৰ ভাং জব্দ কৰে। এই অভিযানত এজন সৰবৰাহকাৰীকো আটক কৰা হৈছে। বঙাইগাঁও জিলাৰ গোলাপাৰা প্ৰথম খণ্ড নিবাসী এই সৰবৰাহকাৰীজনে দীৰ্ঘদিন ধৰি ভাং ব্যৱসায়ৰ সৈতে জড়িত হৈ আছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

ooooo

ওদালগুৰিত  জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আৰু এটা স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত আজি পৃষ্ঠপোষকতা আঁচনি হিতাধিকাৰী আৰু অভিভাৱকৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। সভাত অভিভাৱকৰ সৈতে শিশুসকলৰ শিক্ষা সম্পৰ্কীয় বিষয় সম্পৰ্কত আলোচনা কৰা হয়।

ooooo

মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি জিলাখনৰ কেইবাখনো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় আকস্মিকভাৱে পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত আয়ুক্তগৰাকীয়ে জিলাখনৰ সৰ্বশিক্ষা মিছনৰ কাৰিকৰী বিভাগৰ কৰ্মীসকলে কৰা বিত্তীয় অনিয়ম ধৰা পেলায়। আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা মতে, জিলাখনৰ ৯০ খন প্ৰাথমিক বিদ্যালয়ত চৰকাৰৰ তৰফৰ পৰা টেলিভিচন ছেট সংস্থাপনৰ বাবে ১৫ লাখ টকা আবণ্টন দিয়া হৈছিল যদিও জিলাখনৰ কোনো বিদ্যালয়তে এই টেলিভিচনসমূহ প্ৰদান কৰা হোৱা নাই বুলি আয়ুক্তগৰাকীয়ে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে। তদুপৰি ৰাজ্যৰ শিক্ষা বিভাগে বিদ্যালয়সমূহত ৯০ টা পুথিভঁৰাল নিৰ্মাণৰ বাবেও কেইবালাখ টকা অনুমোদন জনাইছিল যদিও এই সংক্ৰান্তীয় কোনোধৰণৰ কামেই সম্পন্ন হোৱা নাই বুলি তেওঁ উল্লেখ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। হায়দৰাবাদে বৰ্তমানলৈকে ১৪ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। শুভমন গিল নেতৃত্বাধীন গুজৰাট টাইটানছ ১১ পইণ্টেৰে অষ্টম স্থানত আছে। আনহাতে, কলকাতা নাইট ৰাইডাৰ্চ ১৯ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষত আছে।

ooooo

অসম ক্ৰিকেট সন্থাই প্ৰতিভাশালী পেচ বলাৰৰ সন্ধানত আজি বৰপেটা জিলাত এটি শিবিৰ অনুষ্ঠিত কৰে। প্ৰতিভা সম্পন্ন বলাৰ সকলক বিচাৰি উলিয়াই তেওঁলোকক উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰে দক্ষ খেলুৱৈ হিচাপে গঢ় দিয়াৰ উদ্দেশ্যেৰে এই শিবিৰৰ আয়োজন কৰা হৈছে। জিলা ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত এই শিবিৰত ১৪ বছৰ অনূৰ্ধৱ, ১৬ বছৰ অনূৰ্ধৱ, ১৯ বছৰ অনূৰ্ধৱ আৰু জ্যেষ্ঠ শাখাত ৪০০ৰো অধিক খেলুৱৈ অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে অসম ক্ৰিকেট সন্থাৰ এই পদক্ষেপৰ জৰিয়তে ৰাজ্যৰ ক্ৰিকেট ক্ষেত্ৰখনক অধিক শক্তিশালী কৰাৰ লক্ষ্য লোৱা হৈছে। বৰপেটাৰ উপৰি ৰাজ্যৰ আন ৪টা স্থানত এই শিবিৰৰ আয়োজন কৰা হৈছে। শিলচৰ, গুৱাহাটী, তেজপুৰ আৰু ডিব্ৰুগড়ত এই শিবিৰ অনুষ্ঠিত কৰি প্ৰতিভা সম্পন্ন খেলুৱৈসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

ooooo

উত্তৰাখণ্ডৰ ডেৰাডুনত আয়োজিত সৰ্বভাৰতীয় কাৰাটে প্ৰতিযোগিতাত লখিমপুৰ জিলাৰ তাৰিয়নি জেংৰাই গাঁৱৰ পৱিত্ৰ পেগুৱে ব্ৰঞ্জৰ পদক লাভ কৰিছে। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাৰ বাবে মনোনীত হৈছে। যোৱা ৮ ৰ পৰা ১২ মে'লৈ ডেৰাডুনত এই সৰ্বভাৰতীয় কাৰাটে প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

০০০০০

ভাৰতৰ ফুটবল তাৰকা সুনীল চেত্ৰীয়ে খেলুৱৈ জীৱনৰ পৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰিছে। তেওঁ অহা ৬ জুনত অন্তিমবাৰৰ বাবে ভাৰতীয় দলটোৰ হৈ আন্তঃৰাষ্ট্ৰীয় মেচত অংশগ্ৰহণ কৰিব। উল্লেখযোগে যে অহা ৬ জুনত ভাৰতে কুৱেটৰ বিৰুদ্ধে ফিফা বিশ্বকাপৰ কোৱালিফায়িং মেচত অৱতীৰ্ণ হ'ব। মেচখন কলকাতাৰ ছল্টলেক ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। যোৱা মাৰ্চ মাহত তেওঁ দেশৰ হৈ ১৫০ সংখ্যক মেচত অংশগ্ৰহণ কৰিছিল। আফগানিস্তানৰ বিৰুদ্ধে গুৱাহাটীত অনুষ্ঠিত হোৱা খেলখনত সুনীল চেত্ৰীয়ে গল কৰে যদিও ভাৰতে মেচখনত ১-২ৰ ব্যৱধানত পৰাস্ত হয়। ২০০৫ চনত আন্তঃৰাষ্ট্ৰীয় ফুটবলত অভিষেক ঘটা চেত্ৰীয়ে দেশৰ হৈ ৯৪টা গল দিছে। তেওঁ ভাৰতৰ সৰ্বকালৰ শীৰ্ষ গল স্ক'ৰাৰ আৰু সৰ্বাধিক আন্তঃৰাষ্ট্ৰীয় মেচ খেলা খেলুৱৈ হিচাপে অৱসৰ গ্ৰহণ কৰিব। ২০০২ চনত তেওঁ মোহন বাগানত পেচাধাৰী ফুটবলাৰ হিচাপে যাত্ৰা আৰম্ভ কৰে। চেত্ৰীয়ে ২০০৭, ২০০৯ আৰু ২০১২ চনৰ নেহৰু কাপৰ লগতে ২০১১, ২০১৫ আৰু ২০২৩ চনৰ এছ্ এ এফ চেম্পিয়নশ্বিপত ভাৰতক জয়ী কৰাত কৰিছিল। তেওঁ ২০১১ চনত অৰ্জুন বঁটা আৰু ২০১৯ চনত পদ্মশ্ৰী সন্মান লাভ কৰে। ইয়াৰ উপৰি তেওঁ ২০১১ চনত ভাৰতৰ সৰ্বোচ্চ খেল ৰত্ন বঁটা লাভ কৰা প্ৰথমজন ফুটবলাৰ হিচাপে পৰিগণিত হয়।

০০০০০

যোৰহাটৰ বিশিষ্ট চিকিৎসক শংকৰজ্যোতি পৰাশৰৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। হৃদৰোগত আক্ৰান্ত হোৱা চিকিৎসকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫০ বছৰ।

০০০০০

সমাপ্ত